**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 1-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১।	চৰকাৰে কৃষি খণ্ডৰ বিকাশ আৰু গ্ৰামাঞ্চলৰ সমৃদ্ধিৰ দ্বৈত লক্ষ্যৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২।	প্ৰযুক্তিৰ ফলপ্ৰসূ ব্যৱহাৰৰ বাবে সম্প্ৰতি জনসাধাৰণৰ পৰা সংগৃহীত কৰৰ উন্নত ব্যৱস্থাপনা সম্ভৱ হৈ উঠিছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে।

৩।	কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

৪।	ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ কাইলৈ আৰম্ভ হ'ব।

*আৰু*

৫।	ইংলেণ্ডে আই চি চি ছেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৮০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

চৰকাৰে কৃষি খণ্ডৰ বিকাশ আৰু গ্ৰামাঞ্চলৰ সমৃদ্ধিৰ দ্বৈত লক্ষ্যৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। ভাৰ্চুৱেল ব্যৱস্থাৰে আজি কৃষি আৰু গ্ৰাম্য সমৃদ্ধি বিষয়ক এখন বাজেট পৰৱৰ্তী ৱেবিনাৰত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে চৰকাৰৰ বিকশিত ভাৰতৰ লক্ষ্যৰ দিশে আগবঢ়াৰ সংকল্প সুস্পষ্ট। তেওঁ কয়, যে চৰকাৰে সমৃদ্ধিশালী আৰু সৱল কৃষক সমৃদ্ধ এখন ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে কাম কৰি আছে। কোনো খেতিয়ক যাতে পিছ পৰি নাথাকে আৰু প্ৰতিগৰাকী কৃষকক আগুৱাই লৈ যাব পাৰে তাৰ বাবে চৰকাৰে প্ৰয়াস চলাই আছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কৃষিক বিকাশৰ প্ৰথম চালিকা শক্তি বুলি বিবেচনা কৰি চৰকাৰে খেতিয়কসকলক গৌৰৱময় স্থান প্ৰদান কৰিছে। শ্ৰী মোদীয়ে কয়, যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত বৰ্তমানলৈকে খেতিয়কসকলক প্ৰায় তিনি লাখ ৭৫ হাজাৰ কোটি টকা প্ৰদান কৰা হৈছে। এই আঁচনিখনৰ অধীনত বছৰি প্ৰদান কৰা  ছয় হাজাৰ টকাৰ বিত্তিয় সাহায্যই গ্ৰামাঞ্চলৰ অৰ্থব্যৱস্থা সৱল কৰি তুলিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী কয়, যে চৰকাৰে এইবাৰৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ধন-ধান্য কৃষি আঁচনিৰ অধীনত দেশৰ নিম্ন কৃষি উৎপাদনশীল ১০০ খন জিলাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা হ'ব। সম্প্ৰতি কৃষি উৎপাদনে অভিলেখ পৰ্যায় স্পৰ্শ কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে বিগত ১০ বছৰত কৃষি সামগ্ৰীৰ উৎপাদন ২৬ কোটি ৫০ লাখ টনৰ পৰা ৩৩ কোটি টনলৈ বৃদ্ধি পাইছে। তেওঁ লগতে উদ্যান শস্যাৰ উৎপাদন ৩৫ কোটি টনৰো অধিক হৈছে বুলি জানিবলৈ দিয়ে। বীজৰ পৰা বজাৰলৈ কাৰ্যসূচীৰ দৰে উদ্যমসমূহৰ বাবে এয়া সম্ভৱ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশত বিগত কেইটামান বছৰ ডাইলৰ উৎপাদন বৃদ্ধি পাইছে বুলি উল্লেখ কৰি শ্ৰী

মোদীয়ে কয়, যে এতিয়াও ঘৰুৱা চাহিদাৰ ২০ শতাংশৰ বাবে আমদানিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈ আছে। তেওঁ কয়, যে দাইলৰ উৎপাদন বৃদ্ধিৰ বাবে উন্নত মানৰ বীজৰ যোগান বৰ্তাই ৰখাটো আৰু বৰ্ণশংকৰ প্ৰজাতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰাটো জৰুৰী। বৰ্তমান জনসাধাৰণ পৰিপুষ্টিৰ প্ৰতি অধিক সজাগ হোৱা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে উদ্যানশস্য, দুগ্ধজাত সামগ্ৰী আৰু মাছৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি এই খণ্ডকেইটাত যথেষ্ট বিনিয়োগ হৈছে। শাক-পাচলি আৰু ফল-মূলৰ উৎপাদন বৃদ্ধিৰ বাবে মাখ্না পৰিষদ গঠনৰ দৰে ভালেমান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে গ্ৰামাঞ্চলৰ অৰ্থব্যৱস্থা সমৃদ্ধিশালী কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত লাখ লাখ দুখীয়া জনসাধাৰণক বাসগৃহ প্ৰদান কৰা হৈছে আৰু স্বামিত্ব আঁচনিৰ জৰিয়তে ভূমি লেখা অধিকাৰ প্ৰদান কৰা হৈছে। শ্ৰী মোদীয়ে কয়, যে এই বছৰৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা গ্ৰাম্য সমৃদ্ধি আৰু উন্নয়ন কাৰ্যসূচীসমূহে কৰ্মসংস্থাপন আৰু বিনিয়োগৰ ন ন সুযোগ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে বৰ্তমান আঁচনিসমূহ কেনেকৈ অধিক ফলপ্ৰসূ কৰি তুলিব পাৰি সেই বিষয়ে আলোচনা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ooooo

প্ৰযুক্তিৰ ফলপ্ৰসূ ব্যৱহাৰৰ বাবে সম্প্ৰতি চৰকাৰে জনসাধাৰণৰ পৰা সংগৃহীত কৰৰ উন্নত ব্যৱস্থাপনা সম্ভৱ হৈ উঠিছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ৪৯ সংখ্যক অসামৰিক হিচাপ-নিকাচ দিৱস উদযাপন সমাৰোহত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা প্ৰণালীৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে চৰকাৰী সেৱাসমূহ জনসাধাৰণলৈ বৈদ্যুতিন ব্যৱস্থাৰে উপলভ্য কৰোৱাৰ বাবে চলোৱা প্ৰচেষ্টাৰ ডিজিটেল ইণ্ডিয়া উদ্যমে যথেষ্ট সহায় কৰিছে। তেওঁ কয়, যে ৰাজহুৱা বিত্তিয় ব্যৱস্থাপনা প্ৰণালীৰ মাধ্যমেৰে ৬০ কোটি হিতাধিকাৰীক স্বচ্ছসেৱা প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰি শ্ৰীমতী সীতাৰমণে কয়, যে এই প্ৰণালীৰ জৰিয়তে এহেজাৰ ২১১ খন আঁচনি পৰিচালনা কৰা হৈছে আৰু ইয়াৰে  এহেজাৰ ১০০ খন আঁচনি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ অধীনৰ। ভাৰতীয় অসামৰিক হিচাপ-নিকাচ সেৱাৰ বিষয়াসকলৰ ভূমিকাৰ প্ৰশংসা কৰি শ্ৰীমতী সীতাৰমণে কয়, যে চলিত বিত্তীয় বৰ্ষত বিভাগে ১৭ হাজাৰৰো অধিক পেন্সনভোগীৰ ওজৰ-আপত্তি নিষ্পত্তি কৰিছে।

ooooo

দেশত ফেব্ৰুৱাৰী মাহত সামগ্ৰী আৰু সেৱা কৰ জি এছ টি সংগ্ৰহ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ৯ দশমিক ১ শতাংশ বৃদ্ধি পাই এক লাখ ৮৪ কোটি টকা হয়। এই সময়ছোৱাত ৩৫ হাজাৰ ২০৪ কোটি টকাৰ কেন্দ্ৰীয় জি এছ টি, ৪৩ হাজাৰ ৭০৪ কোটি টকাৰ ৰাজ্যিক জি এছ টি, ৯০ হাজাৰ ৮৭০ কোটি টকাৰ সংহত জি এছ টি আৰু ১৩ হাজাৰ ৮৬৮ কোটি টকাৰ ক্ষতিপূৰণ উপকৰ সংগৃহীত হয়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। শ্ৰী শ্বাহে সংশ্লিষ্ট কৰ্তৃপক্ষক অহা ৮ মাৰ্চৰ পৰা ৰাজ্যখনৰ সকলো বাট-পথতে যাতে জনসাধাৰণে মুক্তভাৱে চলাফুৰা কৰিব পাৰে সেইটো নিশ্চিত কৰাৰ নিৰ্দেশ দিছে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত শ্ৰী শ্বাহে বাট-পথত অসুবিধাৰ সৃষ্টি কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ

কৰাৰো নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে মণিপুৰৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ লগতে নিৰ্দিষ্ট প্ৰৱেশ পথৰ দুয়োকাষে অতি সোনকালে বেৰ নিৰ্মাণ কৰাৰো নিৰ্দেশ দিয়ে। বৈঠকত শ্ৰী শ্বাহে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে মণিপুৰত শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বৈঠকত গৃহ সচিব গোবিন্দ মোহন, চোৰাংচোৰা ব্যুৰ'ৰ সঞ্চালক তপন কুমাৰ ডেকা আৰু অন্যান্য শীৰ্ষ বিষয়া উপস্থিত আছিল। ৰাজ্যখনত যোৱা মাহত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছত  এইখন হৈছে এনেধৰণৰ প্ৰথমখন বৈঠক।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত  অনুষ্ঠিত সন্মিলনত শ্ৰীলংকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰণিল ৰিক্ৰমসিংঘে আৰু অষ্ট্ৰেলিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী টনী এবোটক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টক প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁ আলোচনাৰ বাবে সদায় আগ্ৰহী। শ্ৰী মোদীয়ে শ্ৰীলংকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰিক্ৰমসিংঘে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা দৃষ্টিভংগীৰ শলাগ লয়। অষ্ট্ৰেলিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি শ্ৰী মোদীয়ে কয়, যে শ্ৰী এবোটে সদায় ভাৰতৰ সৈতে মিত্ৰতাৰ সম্পৰ্ক ৰক্ষা কৰি আহিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ৰাছিয়াৰ আগশাৰীৰ মহাকাশ যাত্ৰী **ওলেগ আৰটিম'য়েৰ** লেখক এলেক ৰোজ, আমেৰিকাৰ আগশাৰীৰ বিজ্ঞানী ড০ ব্ৰায়েন গ্ৰীনৰ লগতে আন কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে।

০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ কাইলৈ আৰম্ভ হ'ব। ৰমজান মাহ আজি আৰম্ভ হোৱাৰ কথা আছিল যদিও আকাশত জোন দেখা নোপোৱাৰ বাবেই কাইলৈহে এই পৱিত্ৰ মাহৰ আৰম্ভণি হ'ব। পৱিত্ৰ ৰমজান মাহটোত ইছলাম ধৰ্মাৱলম্বী  লোকসকলে নিশা **টাৰাৱিৰ** নামজ পঢ়িব। পৱিত্ৰ ৰমজান মাহৰ অন্তত ঈদ-উল-ফিটৰ উদযাপন কৰা হ'ব।

০০০০০

ছত্তিশগড়ৰ ছুকমা জিলাত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুজন মাওবাদী নিহত হয়। মাওবাদীকেইজন কিস্তাৰাম এলেকাত আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছতে জিলা সংৰক্ষিত বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ এটা যুটীয়া দলে অভিযান চলায়। মাওবাদীকেইজনে বনাঞ্চলৰ পৰা সুৰক্ষা বাহিনীৰ দলটোক লক্ষ্য কৰি নিৰ্বিচাৰে গুলীচালনা কৰে। ইয়াৰ প্ৰত্যুত্তৰত সুৰক্ষা বাহিনীৰ দলটোৱে গুলী চলাবলৈ বাধ্য হয়। এই গুলীয়াগুলীত দুজন মাওবাদী নিহত হয়। নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

০০০০০

উত্তৰাখণ্ডৰ চাম'লী জিলাৰ মানা গাঁৱত হিমস্খলনৰ ফলত আৱদ্ধ হৈ পৰা শ্ৰমিকৰ উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। এতিয়ালৈ ৫০ জন শ্ৰমিকক উদ্ধাৰ কৰা হৈছে যদিও আন ৫ জন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰশাসনে চেষ্টা চলাই আছে। এই ঘটনাত চাৰিজন শ্ৰমিকৰ মৃত্যু হৈছে বুলি নিশ্চিত কৰা হৈছে।

০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্স্কি কাইলৈ হ'বলগীয়া ইউৰোপীয় প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সন্মিলনৰ পূৰ্বে আজি ব্ৰিটেইনত উপস্থিত হয়। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰে জেলেন্স্কিৰ সৈতে আলোচনাত

মিলিত হ'ব। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি আৰু অন্য নেতাসকলেও ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা।

০০০০০

ইংলেণ্ডে আজি কৰাচীত অনুষ্ঠিত আই চি চি ছেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৮০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৩৮ অভাৰ আৰু ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহা পৰলৈকে ১২ অভাৰত ২ টা উইকেট হেৰুৱাই ৬৫ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ইপিনে বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত কিছু সময় পাছত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ডেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত